
# ৰবাৰ্ট ব্ৰাউনিঙৰ কবিতাত নাৰী

**আজিৰ** দৃষ্টিৰে পৰফিৰিয়াৰ প্ৰেমিকৰ মানসিকতাক লক্ষ্য কৰিলে আমাৰ বোধগম্য হ'ব যে সেই যুৱক সমাজৰ আন ১০ জন যুৱকৰ দৰে স্বাভাৱিক নহয়। ঊনবিংশ শতিকাৰ প্ৰথম ভাগতে ইংৰাজ কবি ৰবাৰ্ট ব্ৰাউনিঙে ভিক্টোৰীয় যুগৰ প্ৰেক্ষাপটত এখন বৈচিত্ৰ্যপূৰ্ণ অথচ বৈপৰিত্যপূৰ্ণ সমাজক আলম কৰি এই কবিতাটোৰ চৰিত্ৰকেইটিত নিজৰ তুলিকাৰে বোল সানিছিল। নক'লেও হ'ব যে যুগবাতাবৰণে সেই সময়ৰ নৰ-নাৰীসকলক দ্বৈত জীৱন যাপন কৰিবলৈ বাধ্য কৰাইছিল। ইয়াৰ সৰল কাৰণটো হ'ল সেই সময়ৰ সমাজ জীৱন পৰিক্ৰমাত ব্যক্তিৰ ওপৰত নৈতিকতা, চাৰিত্ৰিক দৃঢ়তা, সদাচাৰ আৰু লগতে সমাজত 'সতী নাৰী', 'প্ৰকৃত ভদ্ৰলোক' আদি বিযেষণযুক্ত কৰিবলৈ বা হ'বলৈ মানুহে তীব্ৰভাৱে প্ৰতিযোগিতাত নমাৰ নিচিনা পৰিস্থিতিৰ উদ্ভৱ হৈছিল। বহুত সময়ত এনে জাপি দিয়া আচৰণ আৰু দায়িত্ববোধে ব্যক্তিৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰাকৈ থকা নাছিল। বহুত ক্ষেত্ৰত তাৰ পৰিণতি বিষময় আৰু সমাজৰ বাবে অহিতকৰ প্ৰতিপন্ন হৈছিল। হতাশাগ্ৰস্ততা, অপৰাধ প্ৰৱণতা আৰু কোনো কোনো সময়ত ব্যক্তিৰ বাহ্যিক ব্যৱহাৰিক জীৱন আৰু মানসিক জীৱনৰ মাজত যোগসূত্ৰ স্থাপন কৰিবলৈ অসমৰ্থ হৈ অপ্ৰকৃতস্থ বা উন্মাদ অৱস্থালৈকো গতি কৰিছিল। সেই দৃষ্টিভংগীৰ ফালৰ পৰা বিচাৰ কৰিলে পৰ্‌ফিৰিয়াৰ প্ৰেমিক নিশ্চয় কোনো মানসিক অস্থিৰতা বা মানসিক অস্বাভাৱিকতাৰ চিকাৰ হৈছিল। কবিয়ে সেই বিশেষ চৰিত্ৰটোৰ অমানৱীয় নিৰ্মম কাৰ্যকলাপ বৰ্ণনা কৰিছে যদিও চৰিত্ৰটোৰ সেই অস্বাভাৱিক কাৰ্যৰ ব্যাখ্যা আগবঢ়োৱা নাইবা সেই অস্বাভাৱিক আচৰণৰ মূল কি তাৰো ইংগিত দিয়া নাই। তৎসত্ত্বেও নাৰী-পুৰুষৰ মাজৰ সম্পৰ্কৰ বিচিত্ৰ দিশ এই কবিতাটোৰ মাজেদিও ফুটি নুঠাকৈ থকা নাই।


সামন্তযুগীয় মানসিকতাত মাটি আৰু নাৰীৰ মূল্য প্ৰায় একেই

## সাহিত্যৰ ৰূপৰেখা

ড° নিভাৰাণী ফুকন



আছিল। অৰ্থাৎ যাৰ স্বত্ত্ব তাৰেই ভোগ সিদ্ধ হৈছিল। তাৰ অন্যথা হ'লে গতি বিষম হৈছিল। ব্ৰাউনিউৰ 'My Last Duchess' কবিতাৰ মাজেদি সেই একে মধ্যযুগীয় সামন্তীয় মানসিকতাৰ প্ৰতিফলন ঘটিছে। কলাপ্ৰেমী, উচ্চ ৰুচিবোধ থকা ডিউক তেওঁৰ বংশৰ নশ বছৰীয়া ইতিহাস লৈ সদা গৰ্বিত। নিজৰ বংশক লৈ তেওঁৰ অহংকাৰ আৰু গৌৰৱ প্ৰৱল। পিছে তেওঁৰ সেই আত্মপ্ৰসাদ বেছি দিনলৈ স্থায়ী নহ'ল। তেওঁৰ পত্নীয়ে তেওঁৰ সেই যাত্ৰাত তেওঁক 'সংগ দান' নকৰিলে। অহংকাৰ আৰু জাত্যাভিমানত মদগৰ্বী ডিউকৰ দৃষ্টিত সাধাৰণ প্ৰজা আৰু তেওঁতকৈ নিম্ন মৰ্যাদাৰ ব্যক্তি



অতি তুচ্ছ আছিল। অথচ সৰবৰহী প্ৰকৃতিৰ ডাচেছগৰাকীয়ে উচ্চ-নীচ ভেদভাব পাহৰি সকলো শ্ৰেণীৰ ব্যক্তিৰ লগত আন্তৰিকতাৰে মিলা-মিচা কৰিছিল। অহং ভাৱাপন্ন গিৰীয়েকগৰাকীৰ বাবে পত্নীৰ এনে স্পৰ্ধা আৰু প্ৰজাৰ দৃষ্টিত ডাচেছৰ জনপ্ৰিয়তাই ডিউকক ঈৰ্যান্বিত কৰিছিল। তেওঁৰ ধাৰণা হৈছিল যেন তেওঁৰ পত্নীৰ বাবে তেওঁৰ বংশৰ নাম ধূলিসাৎ হ'ব। সেই বাবে তেওঁৰ বাবে বিবাহৰ প্ৰস্তাৱ লৈ অহা দূতগৰাকীৰ আগত ডিউকে ব্যক্ত কৰিছে—

Somehow-I know not how as if she renked my gift of a nine hundred years old name with anybody's gift.
Who'd stoop to blame this sort of trifling?
Much the same smile? This grew; I gane Commands;
Then all smiles stopped together, There she stands

এৰা! তেওঁ নিজৰ পত্নীৰ মৃত্যুদণ্ডৰ আদেশ দি ক্ষান্ত হৈছিল। অথচ তেওঁৰ যি কলা প্ৰেম সেই প্ৰেমৰ প্ৰতিফলন মৃত ডাচেছগৰাকীৰ প্ৰতিকৃতিৰ বিন্দুৰে বিন্দুৰে দৃষ্টিগোচৰ হৈছিল। মন কৰিবলগীয়া যে তেওঁ সেই দূতগৰাকীৰ আগত মৃত পত্নীৰ প্ৰতিকৃতিখন অঁকা শিল্পীগৰাকীৰ কলা নিপুণতাৰ প্ৰশংসা কৰাত কাৰ্পণ্য কৰা নাছিল। তেওঁৰ তেনে আচৰণৰ প্ৰতি দৃষ্টি ৰাখি কলামোদী পঢ়ুৱৈৰ মনত নানা প্ৰশ্নৰ উদয় হ'ব। কলাৰ প্ৰতি একান্ত অনুৰাগী ব্যক্তি নিষ্ঠুৰ হ'ব পাৰে জানো? মহান শিল্পীক নৰৰূপী দেৱতাৰূপে পূজা কৰিব পৰা ডিউকে অপৰাধ কৰাৰ বাবে দণ্ডিত কৰা মৃত পত্নীক সেইদৰে কলাৰ মাজেদি চিৰ সজীৱ কৰি ৰখাৰ তাৎপৰ্য কি? নে তেওঁ ক্ষন্তেকীয়া উত্তেজনাবশতঃ জাৰি কৰা কঠোৰ আদেশটোৰ বাবে অন্ততপ্ত হৈ মৃত পত্নীৰ স্মৃতি সজীৱ কৰি ৰাখিবলৈ মহান শিল্পীগৰাকীক পত্নীৰ প্ৰকৃতি আঁকিবলৈ নিযুক্ত কৰিছিল?

এনে অলেখ প্ৰশ্নই অনুসন্ধিৎসু পাঠকৰ মন জুমুৰি দি ধৰিব। পিছে কবি ব্ৰাউনিঙে তাৰ কোনো পোনপটীয়া উত্তৰ দিয়া নাই। তথাপিতো, কবিতাটোত থকা মৰ্মস্পৰ্শী কাহিনীটোৰ লগত ইটালীৰ নৱজাগৰণৰ সময়ছোৱাৰ কলাৰ যি উৎকৰ্ষ আৰু বৃদ্ধি হৈছিল তাৰ কিছু ছিটিকনি নপৰাকৈ থকা নাই। সৃষ্টিশীল প্ৰতিভা আৰু বৌদ্ধিক মেধাৰ সমন্বয়ত গঢ় লোৱা ব্ৰাউনিঙৰ এই বিশেষ কবিতাটোত পুৰুষৰ ৰক্ষণশীলতা আৰু স্বাৰ্থপৰতাৰ বিপৰীতে নাৰীৰ মুক্তি পিয়াসী আত্মাৰ সুৰ নিগৰি ওলাবলৈ বাট বিচাৰি হাবাথুৰি খাইছে। অথচ ৰক্ষণশীল পুৰুষতান্ত্ৰিক চিন্তাই সেই মুক্তিপ্ৰাপ্তিত বাধাদান কৰিছে।

neevarani11@gmail.com